بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ১ নভেম্বৰত মছজিদ মোবাৰক ইছলামাবাদ বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে যোৱা কেইদিন মান আগত মই ইউৰোপৰ কিছুমান দেশলৈ ভ্ৰমন কৰিবলৈ গৈছিলোঁ। তাৰে মাজত হলেণ্ড আৰু ফ্ৰান্সৰ বাৰ্ষিক জলছা আছিল। ইয়াৰ উপৰি তাত বিভিন্ন মছজিদৰ শুভাৰম্ভ আৰু অন্যান্য প্ৰোগ্ৰামও অনুষ্ঠিত কৰা হৈছিল। ফ্ৰান্সত অৱস্থিত ইউনেস্কোৰ কাৰ্যলয়ত এখন সভা অনুষ্ঠিত কৰা হৈছিল তাত ইছলামী শিক্ষা নীতি আৰু শৈক্ষিক আৰু বিজ্ঞানৰ উন্নতিৰ ক্ষেত্ৰত মুছলমান সকলৰ কাৰ্যকৰী ভূমিকা সম্পৰ্কে চমু বিৱৰণী এটা আগবঢ়োৱাৰ সুযোগ লাভ কৰিছিল। এনেদৰে বাৰ্লিনত অনুষ্ঠিত হোৱা এখন প্ৰোগ্ৰামত ৰাজনীতিবিদ আৰু শিক্ষিত শ্ৰেণীৰ লোকৰ আগত ইছলামী শিক্ষা সম্পৰ্কে চমু ভাষণ ৰখা হৈছে, যি ভাষণে তেওঁলোকৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰাটো প্ৰতিফলিত হোৱা দেখা গৈছে। এতিয়া মই তাৰে কিছুমান অ-আহমদী লোকৰ চিত্তাকৰ্ষক ভাষ্য বৰ্ণনা কৰিম, যাৰ দ্বাৰা এয়া প্ৰমানিত হয় যে তেওঁলোকে ইয়াত ইছলামৰ প্ৰকৃত শিক্ষা সম্পৰ্কে জানিবলৈ ভালে খিনি সুবিধা পাইছে।

হলেণ্ডৰ জলছাৰ দ্বিতীয় দিনা এখন প্ৰোগ্ৰামত ডাচ অতিথি সকলৰ সৈতে বাক্যলাভ হৈছিল। ১২৫ জন অ-মুছলিম ডাচ অতিথি হলেণ্ডৰ জলছাত অংশগ্ৰহন কৰিছিল। ৰুটৰডাম চহৰৰ পৰা অহা এজন অতিথি হ্যায়মান মিটৰ চাহাবে কয় যে - মই এই জলছালৈ আগমনৰ আগ মহুৰ্ত্তত বৰ ভয় কৰিছিলো যে এইবোৰ জলছাত সকলো মুছলমান আহি গোট খাব, নাজানো কি যে হব ! কিন্তু ইয়াত আহি উপস্থিত হোৱাৰ পিছত মই বৰ আচৰিত হৈছো যে ইয়াত কেৱল শান্তিৰ কথাই আলোচিত হৈছো। গোপ সকলে সাধাৰণতে শান্তি, নিৰাপত্তা সম্পৰ্কে আলোচনা কৰি থাকে কিন্তু আপোনালোকৰ খলিফাই স্পষ্টভাৱে শক্তিশালী সম্প্ৰদায় সকললৈ আঙুলিয়াই কথাবোৰ কৈছে।

ইয়াৰ পিছত এহাল ডাচ দম্পত্তি অতিথি হিচাপে এই জলছাত যোগদান কৰিছিলো। তেওঁলোকে কয় যে - জলছাৰ পৰিবেশ বৰ হৃদয়গ্ৰাহী আৰু আচৰিত হবলগীয়া আছিল। সকলো লোকেই বিমুগ্ধকৰ, পুণ্য চৰিত্ৰৰ, এনেকুৱা লাগিছে যে জান্নাতৰ হে পৰিবেশ। আকৌ মপৰ ভাষণ সম্পৰ্কে কৈছে যে - ভাষনৰ প্ৰতিক্ৰিয়া অনুভৱ হৈছে, আমাৰ হৃদয়কক্ষত, অনুবাদ কাৰীয়েও বৰ দক্ষতা প্ৰদান কৰিছে আৰু আমাক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - ভাষনৰ মাধুৰ্যতা অনুবাদকাৰীৰ ওপৰত নিৰ্ভৰশীল যে তেওঁ কেনেদৰে স্পষ্টকৈ বৰ্ণনা কৰে। গতিকে আমি চেষ্টা কৰা উচিত যে যদিও এম টি এৰ মাজত তৰজমা চলি থাকে তথাপি সকলো দেশতেই তৰজমাৰ বিষয়টো শুদ্ধ মাধুৰ্য পূৰ্ণ হোৱা উচিত। প্ৰোগ্ৰাম,ফাংচন আদিৰ বিশেষ ভাৱে তৰজমাৰ ফালে মনোযোগ দিয়া উচিত।

আন এজন জলছাৰ অতিথি হল ডেনি হাৰকিং চাহাব। তেখেত কৈছে যে ইয়াত মোৰ বৰ ভাল লাগিছে আৰু আপোনালোকৰ খলিফায়েও শান্তি আৰু পাৰস্পৰিক ঐক্যতানৰ কথাই কৈ থাকে। আপোনালোৰ এই জমাত কেৱল আহমদী সকলৰ মাজতেই নহয় বৰং প্ৰত্যেক ধৰ্মৰ লোকৰ সৈতে উত্তম আচৰণ প্ৰদৰ্শন কৰে। তেখেতে পৃথিবীত সংগঠিত হৈ যোৱা বিভিন্ন অশান্তি সম্পৰ্কে উল্লেখ কৰিছে আৰু শান্তি প্ৰতিষ্ঠাৰ ওপৰত বিশেষ ভাৱে জোৰ দিছে। আমিও এই বিষয়ে চেষ্টা কৰা উচিত যে আমি সকলোৱে মিলি শান্তি প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰো।

হলেণ্ডৰ আলমিৰে চহৰত মছজিদৰ শুভাৰম্ভনীত আলমীৰে চাৰ্চ্চৰ চেয়াৰমেন" হাই আওৱে তজল চাহাব জলছাত অংশ গ্ৰহন কৰিছিল। তেখেত কয় যে - আপোনালোকৰ জামাতৰ বাৰ্তা হল শান্তিৰ বাৰ্তা। আপোনালোকৰ খলিফাই শান্তি আৰু ধৰ্মীয় স্বাধীনতা সম্পৰ্কে মূল্যবান ভাষন ৰাখিছে। এই আলমিৰে চহৰত এয়া প্ৰথম প্ৰথম কেথলিকচ আৰু প্ৰতিষ্ঠান সকলে মিলিজুলি থাকিবলৈ লৈছে, শান্তি বজায় ৰাখিছে। গতিকে আশা কৰোঁ যে আহমদী সকলেও আমাৰ লগত শান্তিৰে সৈতে মিলি থাকিব। হলেণ্ডৰ এজনী মহিলা আইওলিন চাহিবায় কয যে পৰিতাপৰ বিষয় এয়া যে বিশ্ববাসী সকলক ইছলামৰ এই

মনোমোহা ছবি দেখুওৱা হোৱা নাই। আপোনাৰ জামাতৰ লোক সকল কঠোৰ পৰিশ্ৰমি আৰু অতিথি পৰায়ণ আৰু আপোনালোকেই ইছলামৰ প্ৰকৃত শিক্ষা আমাক অৱগত কৰাইছে।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ইয়াৰ পিছত আছিল ফ্ৰান্সচৰ জলছা তাতও অ-আহমদী আৰু অমুছলিম অতিথি সকলৰ লগত দেখা সাক্ষাৎ হৈছিল। এই জলছাত ৭৫জন অতিথি অংশগ্ৰহন কৰিছিল। এজনী মহিলা অতিথিয়ে কয় যে - যেতিয়া খলিফায় এই কথা কয় যে ফ্ৰান্সচত বিভিন্ন সময়ত যি মৰানাত্মক আক্ৰমণ চলোৱা হৈছিল, এয়া স্পষ্ট যে সেই আক্ৰমণৰ লগত ইছলামৰে মুঠেও সম্পৰ্ক নাই। আকৌ তাই কয় যে ইমাম জামত আহমদীয়ায় ইছলামৰ যি প্ৰতিচ্ছবি দাঙি ধৰিছে, তাৰ পৰা অনুমান কৰিব পাৰি যে মুছলমান সকলে অতি সহজেই পশ্চিমা দেশত ইণ্টেগ্ৰেড হব পাৰিব, আৰু যিজনে কয় যে - পশ্চিমীয়া দেশত ইছলামৰ বাবে কোনো স্থান নাই, মুছলমান সকলে ইয়াত মিলি থাকিব নোৱাৰে, সেয়া নিশ্চিত এটা ভূল কথা। এনেকুৱা লোক সকলে আজিৰ এই ভাষণ শুনিব লাগিছিল।

মৰাকোচৰ এজন অ-আহমদী অতিথি ছুফিয়ান চাহাবে কয় যে আজিৰ এই ভাষনৰ পৰা মই বুজিব পাৰিছো যে আপোনালোকেই প্ৰকৃত আৰু আচল মুছলমান হয় আৰু যি সকলে কয় যে আপোনালোকে মুছলমান নহয় ,সেয়া সম্পৰ্ণৰূপে ভুল কথা কয়। হুজুৰ (আইঃ)য়ে কয় যে ৪ অক্টোবৰত ইউনেস্কোৰ মোৰ ভাষন আছিল। সেই সভাত ৯১ জন অতিথি অংশ গ্ৰহন কৰিছিল। মালিৰ পৰা অহা ইউনেস্কোৰ এজন দূত কিদা চাহাবে নিজৰ ধাৰণা বৰ্ণনাবলৈ গৈ কয় যে ইমাম জামাত আহমদীয়াই শান্তি বিস্তাৰ কৰি আছে, মই আপোনাৰ এই শান্তিকামী আহব-বানৰ নিমিত্তে ধন্যবাদ জ্ঞাপন কৰিছো। বিশ্ব ন্যায় আৰু মিলা প্ৰীতিৰ যি ধাৰণা ইমাম জামাতে আগবঢ়াইছে সেয়া পৃথিবীত আজি অতিকৈ প্ৰয়োজনীয় হৈ পৰিছে।

ইয়াৰ পিছত নেটো মেমোৰিয়েলৰ সভাপতি মিঃ বৰিণ্টন চাহাবে কয় যে এই কনফাৰেন্স বৰ গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক আছিল। ইয়াৰ দ্বাৰা শান্তি আৰু ভাতৃত্ববোধ প্ৰতিষ্ঠা হব পাৰে। মোৰ বোধেৰে মানুহে বেছি বেছিকৈ জমাতে আহমদীয়াৰ ইমামৰ এই আহব-বানলৈ সহাঁৰি জনোৱা উচিত।

আকৌ মালিৰ পৰা অহা কেথলিক এচোছিয়েচনৰ সভাপতি দয়ালু চাহাবেও এই জলছাত অংশগ্ৰহন কৰছিল। তেখেতে কৈছে যে - যদি পৃথিবীত ইমাম জমাতে আগবঢ়োৱা ইছলাম প্ৰতিষ্ঠা হয় তেন্তে পৃথিবীৰ সকলো সমস্যাই সমাধান হৈ যাব।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে - ষ্টাৰ্চবাৰ্গত (ফ্ৰান্স)মছজিদ এখনৰ শুভাৰম্ভী অনুষ্ঠানত প্ৰায় ১৯১ জন অতিথি যোগদান কৰিছিল। ফ্ৰান্সৰ পাৰ্লিয়ামেণ্টৰ সদস্য মাৰ্টিন চাহাবে কৈছে যে - মই বৰ আনন্দিত হৈছো যে আপুনি এটা মহত্বপুৰ্ণ আহববান জনাইছে। এয়া হল এটা শান্তিৰ আহববান, এই আহববান গোটা বিশ্বৰেই প্ৰয়োজনীয় এটা খবৰ। ফ্ৰান্সৰ বাসিন্দা সকলে এই আচল আৰু প্ৰকৃত ইছলাম সম্পৰ্কে জানি লোৱা উচিত। আন এজন অতিথিয়ে কয় যে মই মোৰ হৃদয়ৰ কল্পনা সম্পৰ্কে বৰ্ণনা কৰিব নোৱাৰো। মই আগতে ইছলামৰ এই সংগঠনৰ বিষয়ে একো জনা নাছিলো, যি আজি মই ইয়াত আহি শুনিলো। মই ইয়াৰ প্ৰশংসা নকৰি থাকিব নোৱাৰো। ইছলামৰ এই শাখা হল শান্তিকামী শাখা, এয়াই হল ইছলামৰ প্ৰকৃত ছবি। এয়া এনএকুৱা ইছলাম যত আছে মানৱতাবোধ, আৰু মৰমৰ সুগন্ধি শৰাই। এতিয়া মই জানিব পাৰিলো যে আগতে যি ইছলাম সম্পৰ্কে আমি জানিছিলো, সেয়া আচলতে প্ৰকৃত ইছলাম নহয় বৰং সেয়া বেলেগ এটা বস্তু অৰ্থ্যাৎ বেলেগ ধৰণৰ ইছলাম।

হুজুৰ আনোৱাৰ আইঃ য়ে ১৪ অক্টোবৰ ২০১৯ ২০১৯ চনত মছজিদ ওৱেজবাদিনৰ (জাৰ্মানী) শুভ উদ্বোধনী কৰে। এই অনুষ্ঠানত ৩৭০ জন অতিথিয়ে অংশ গ্ৰহন কৰিছিল। কেথলিক চাৰ্ছৰ এজন পাদ্ৰীয়ে কৈছে যে আপোনাৰ ভাষনত এটা গুৰুত্ব পুৰ্ণ বিষয় সামৰি লৈছে। মই ইয়াৰ লগত এক বাক্য সন্মত আৰু বিশ্বাস ৰাখো যে যদি বিশ্বৰ সকলো নেতাই এই শান্তি সম্পৰ্কে কথা কলেহেতেঁন তেন্তে বৰ ভাল হলহেতেঁন।

আন এজনী মহিলা অতিথি বোনি চাহিবা, যিজনী ওয়েজবাদীন চহৰৰ ইণ্টেগ্ৰেচন বিভাগত কাম কৰে। তাই কয় যে এই ভাষণ বৰ প্ৰেৰণাদায়ক বুলি উপলব্ধি হৈছে। ইয়াত এটা মোৰ বাবে বৰ গুৰুত্বপূৰ্ণ সেযা হল যে প্ৰত্যেক আহমদীয়ে নিজৰ সমাজৰ বাবে কল্যাণ কঢ়িয়াই আনোতা এজন সক্ষম ব্যাক্তি হব লাগিব। যদি মুছলমান সকলৰ সকলো ফিৰকাই আহমদী সকলৰ দৰে মুকলি মনৰ মানুহ হলহেতেঁন তেন্তে আমি সকলোৱে মিলি জুলি দিনাতিপাত কৰা সহজ আৰু সৰল হৈ পৰিলেহেতেঁন। হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে ইয়াত ইখিনি কথা স্পষ্ট কৰি দিওঁ যে নিশ্চয় আমি সকলোৱে মিলিজুলি

থাকো কিন্তু কিছুমান লোক আছে যে তেওঁলোকে মাজে সময়ে অশান্তিৰ সৃষ্টি কৰি পেলায়, আৰু মিছা ভাবুকি মাৰি থাকে। গতিকে নিজৰ শিক্ষাৰ সীমাৰ ভিতৰত থাকি কথা কব লাগে আৰু নিয়মৰ অধীনত ধীৰস্থিৰে শিক্ষা সম্পৰ্কে জনাবলৈ চেষ্টা কৰিব লাগে। গতিকে ইয়াত ভয় কৰিবলৈ একো নাই। ইণ্টেগ্ৰেচনৰ অৰ্থ হল এয়া যে উত্তম চৰিত্ৰ প্ৰদৰ্শন কৰি ইছলামৰ মনোমোহা শিক্ষা প্ৰচাৰ কৰা (সকলোকে একগোট কৰা)

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে ফোল্ডাত এখন মছজিদৰ শুভ উদ্বোধনী কৰা হৈছে। এই অনুষ্ঠানত ৩৩০ জন অতিথি অংশ গ্ৰহন কৰিছিল। ইয়াতে এজনী অতিথি হাৰিল চাহাবে কয় যে ইয়াৰ আগত আমি ইছলামী শিক্ষা সম্পৰ্কে যি জানিছিলো সেয়া ইছলাম সম্পৰ্কে শুদ্ধ ধাৰণা নহয়। গতিকে আজিৰ এই গধূলি মোৰ বাবে স্মৰনীয় হৈ থাকিব, যিয়ে মোৰ বাবে এটা শান্তিৰ বাণী কঢ়িয়াই আনিলে।

এজন স্থানীয় শিক্ষক মহোদয়ে হুজুৰ আইঃ ৰ ভাষণ সম্পৰ্কে কয় যে - এয়া মই স্কুলত সুন্দৰ ভাৱে ব্যাখা কৰি সুধিব লাগিব যে তোমালোকে ইয়াৰ পৰা কি বুজি পালা আৰু তোমালোকৰ ধাৰণা মতে এনেকুৱা সুন্দৰ শিক্ষা কোনটো ধৰ্মৰ শিক্ষা হব পাৰে?

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে - ইয়াৰ পিছত বাৰ্লিনত ইছলাম ইণ্ডো-ইউৰোপ সম্পৰ্কে ভাষন আছিল। পাৰ্লিয়ামেণ্টৰ সদস্য আলেকজেণ্ডাৰ চাহাবে কয় যে যদিওঁ এই বিষয়টো আমাৰ বাবে নতুন আছিল আৰু যুগৰ চাহিদা হিচাপে উপযুক্ত আছিল তথাপি কিন্তু খলিফাই নিজৰ জ্ঞান তত্ত্বৰে পুৰণি ইছলামী মূল উৎগাটন কৰি প্ৰমান কৰি দিছে যে ইছলাম আৰু কোৰআন শ্বৰিফে ধৰ্মৰ ভিত্তি প্ৰথম দিনাৰ পৰাই মানৱ সহানুভুতি আৰু শান্তি আৰু নিৰাপত্তাৰ শিক্ষাৰ আধাৰত ৰাখি গৈ আছে।

প্ৰফেছাৰ হেয়ৰ বাট হিউ চাহাবে কয় যে - শিক্ষা জগতে জমাতক বিভিন্ন ধৰ্মীয় জমাতৰ তুলনাত এটা শীৰ্ষতম স্থানত অনুষ্ঠিত কৰিছে। আনহাতে ছাবিন লিডুন চাহিবায় কয় যে ইমাম জমাত আহমদীয়ায় ভৱিষ্যত প্ৰজন্মলৈ অহা দুখ-দৈন্যতা, যেনেকৈ সময়ৰ আগতেই উপলব্ধি কৰি আজিৰ নেতৃবৃন্দক সাৱধান কৰি দি আছে, এই বিষয়টোৱে মোৰ অন্তৰত গভীৰ ছাপ পেলাইছে। আন এজন মহিলা অতিথিয়ে কয় যে খলিফা মহোদয়ৰ ভাষণত যিখিনি কথা মোৰ ওচৰত অতি মহত্বপূৰ্ণ অনুভৱ হৈছে সেয়া হল শিক্ষা দীক্ষাৰ গুৰুত্ব। কাৰণ যেতিয়া মানুহে জানিব পাৰে যে তাৰ পবিত্ৰ গ্ৰন্থত কেনে শিক্ষা সন্নিবিষ্ট আছে তেতিয়া তেওঁ বহুতো সমস্যাৰ হাত সাৰিব পাৰে। হুজুৰ আইঃ য়ে আহমদী ডেকা চামক উদ্দেশ্য কৰি কয় যে এয়া আজি আহমদী ডেকা চামৰ দায়িত্ব হৈ পৰিছে যে তেওঁলোকে যেন বিশেষ ভাৱে কোৰ আন কৰিম পাঠ কৰে আৰু সেয়া ভালদৰে হৃদয়ঙ্গম কৰে যাতে বেলেগক বুজাব পাৰে আৰু এওঁলোকে বাধ্য হৈ যেন ইয়াৰ ওপৰত চিন্তা কৰে আৰু ইয়াৰ তত্ত্ব বুজি পায় আৰু তাৰ ওপৰত আমল কৰে নাইবা এই শিক্ষাক মান্য কৰে।

হুজুৰ আনোৱাৰ আইঃ য়ে কয যে ইয়াৰ পিছত মছজিদ মাহদী আবাদৰ শুভাৰম্ভ আছিল। সেই অনুষ্ঠানত প্ৰায় ১৭০ জন অতিথিয়ে অংশগ্ৰহন কৰিছিল। তাৰে এজন অতিথি ওৱায়েছ মেয়ৰ চাহিবায় কয় যে মই ওভতি গৈ নিশ্চয় খলিফা মহোদয়োৰ কথাখিনি প্ৰচাৰ কৰিম আৰু যেতিয়া কোনোবায় ইছলামৰ ওপৰত অভিযোগ উত্থাপন কৰিব তেতিয়া মই খলিফা মহোদয়ৰ উক্তি সমুহ আগবঢ়াই ইছলামৰ প্ৰতি কৰা অভিযোগ খণ্ডন কৰিম।

হুজুৰ আনোৱাৰ আইঃ য়ে কয় যে নমাজে জুমাৰ এটা নমাজে জানাজা গায়েব পঢ়া হব। এয়া হল মকৰম মৌলবী মেহমুদ আহমদ চাহাব (মুবাল্লিগ ছিলছিলা)ৰ জানাজা। এখেত মৰহুম পালঘাৰ্ট কেৰেলা (ভাৰত)ৰ লোক আছিল। ২০১৯ চনৰ ১৫ অক্টোবৰত ৫৪ বছৰ বয়সত এখেতৰ মৃত্যু হৈছে। ইন্না লিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন। এখেতৰ দেউতাকৰ জৰিয়তে এখেতৰ বংশত আহমদীয়াতৰ প্ৰৱেশ ঘটিছিল। এখেৰত দেউতাকৰ নাম আছিল মকৰম মৌলবী কে মহম্মদ উলুবি চাহাব। এখেতে অ-আহমদী সকলৰ এজন গণ্য-মান্য বিদ্যান লোক আছিল। আহমদীয়াত গ্ৰহন কৰাৰ বাবে এখেতে প্ৰচণ্ড বিৰুধীতাৰ সন্মুখীন হব লগীয়া হৈছিল । এখেতৰ জড়িয়তেই কেৰেলাত শ শ লোকে আহমদীয়াত গ্ৰহনৰ তৌফিক লাভ কৰিছিল। দেউতাকৰ আদেশ অনুযায়ী মেহমুদ আহমদ চাহাবে কলেজীয়া শিক্ষা এৰি আহি জামিয়া আহমদীয়াত ভৰ্ত্তি হৈছিল। ১৯৮৮ চনত জামিয়াৰ শিক্ষা শেষ কৰি কৰ্মৰত হৈছিল। মৰহুম মেহমুদ চাহাব এজন ডাঙৰ আলিম হৈ পৰিছিল এখেত মুত্তাকী, ৰোজাদাৰ,নমাজী আৰু তাহাজ্জুদ গোজাৰ দোৱাকাৰী, দীনি আৰু ধৈৰ্যবান, মুখলিছ লোক আছিল। কোৰআন কৰিম, হজৰত মছিহ মাওউদ আঃ ৰ কিতাপ খলিফায়ে একৰামৰ কিতাপ হাদীছ আদি গভীৰ ভাৱে অধ্যায়ণ কৰিছিল। আৰবী উৰ্দু,মালয়ালম

আৰু তামিল ভাষাৰ অগাধ জ্ঞান আছিল।মৰহুমৰ এখন নিজা লাইব্ৰেৰী আছিল। কেৰেলা, তামিলনাডু লস্কদীপ আৰু বাহিৰা দেশ সমুহত খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। হজৰত খলিফাতুল মছিহ ৰাবে (ৰহঃ)ৰ নিৰ্দেশ অনুযায়ী মহতৰম মেওলানা দোস্ত মহম্মদ শ্বাহিদ আৰু হাফিজ মুজাফৰ আহমদ চাহাবৰ লগত মৰহুম চাহাবে জামাতৰ এজন তীব্ৰ বিৰুধী মৌলবীৰ সৈতে মুনা জেৰাত অংশগ্ৰহন কৰাৰ তৌফিক লাভ কৰিছিল। মৰহুম মেহমুদ আহমদ চাহাব মুচি আছিল। এখেতে দুজনী পত্নী আৰু তিনিজনী জীয়েকক এৰি ইহলীলা সম্বৰণ কৰিছে। এখেতৰ দুজন জোৱাই আল্লাহৰ কৃপাত ওয়াকফে জিন্দেগীত চামিল আছে। এখেৰত এজন জোৱাইয়েকে লিখিছে যে এবাৰ মৰহুম দেউতাকৰ আদেশ অনুযায়ী জামিয়াত শিক্ষাৰ অন্তিম বছৰত ছুটীৰ সময়ত ঘৰত যোৱা নাছিল। ছুটিৰ সময়খিনি একমাত্ৰ হজৰত মছিহ মাওউদ আঃৰ কিতাপ অধ্যয়ণ কৰাৰ বাবে উচ্চৰ্গা কৰিছিল। জামিয়াৰ ছাত্ৰ সকলৰ বাবে এয়া এটা ডাঙৰ আদৰ্শ এৰি থৈ গৈছে। ১৯৯৮ চনত আৰু ২০১৫ চনত ইশায়েত ইছলামৰ সৈতে জমাতৰ এটা ঐতিহাসিক মুনাজেৰা সংগঠিত হৈছিল, যত মৰহুমক মুনাজৰ হিচাপে নিযুক্ত কৰা হৈছিল। ইয়াৰ উপৰিও এখেতে আল্লাহৰ কৃপাত আহলে কোৰ-আন আৰু হাদীছৰ সৈতে খ্যাতনামা মোবাহাশাত অংশগ্ৰহন কৰাৰ তৌফিক লাভ কৰিছিল। এখেতৰ জোৱায়েকে লিখিছে যে - এয়া প্ৰায় সৰু ঘটনা এবাৰ মৰহুমে তাহাজ্জুদ নমাজ পঢ়িব পৰা নাছিল। সেয়া চাই এখেতৰ দেউতাকে কৈছিল যে হে পুত্ৰ তুমি নিবিচৰানে যে তুমি মোকামে মেহমুদ লাভ কৰা ? তেতিয়াৰে পৰা এখেতে কেতিয়াও নমাজে তাহাজ্জুদ এৰি দিয়া নাছিল। মৰহুমে প্ৰতি অগাধ প্ৰেম আৰু বিশ্বাস ৰাখিছিল। শিক্ষা সংস্কাৰ, তবলিগ আদিৰ ক্ষেত্ৰত খিলাফত বিষয়টো বিশেষ ভাৱে গুৰুত্ব দিছিল। ২০১৫ চনত এবাৰ এজনী মহিলায় নিজৰ লৰা ছোৱালীৰ সৈতে আহমদীয়াত গ্ৰহন কৰিছিল। তাই বংশধৰ সকল আছিল দেশৰ বাহিৰত যেতিয়া তেওঁলোকে ঘৰলৈ আহিছিল মহিলা জনীৰ সংস্পৰ্শত মৰহুমে সেই লোক সকলক তবলিগ কৰিছিল। তেতিয়া তেওঁলোকে প্ৰশ্ন কৰিছিল যে খিলাফত মান্য কৰাৰ প্ৰয়োজন কি ? তেতিয়া মৰহুমে মনচৰে খিলাফত আৰু খিলাফতৰ গুৰুত্ব বৰকত সম্পৰ্কে এনেকুৱা মনযুগ্ধকৰ বৰ্ণণা আগবঢ়াইছিল যে অৱশেষত পৰিয়ালটোৰ সকলোৰে আহমদীয়াত গ্ৰহন কৰিছিল।

হুজুৰ আইঃ য়ে কয় যে প্ৰকৃততে মৰহুম খিলাফতৰ ছুলতান নছিৰ আছিল। আল্লাহ এখেতৰ সৈতে ক্ষমা আৰু দয়াৰ দ্বাৰা উন্মোচন কৰক। এখেতৰ সতি সন্তানক এখেতৰ নেকি বজায় ৰখাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 9 August. 2019**

**To**

---------------------------------------------------------------------------

---------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**